Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

দশম শ্ৰেণীৰ বাবে

দ্বিতীয় ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বাধ্যতামূলক)



এটা খড়্গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

পাঠ - ১২

পাৰস্যত এভুমুকি

অংশ - ১

অংগৰাগ ভূঞা

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



গদ্যাংশ

পাৰস্যত এভুমুকি

ৰথীন্দ্রনাথ গোস্বামী

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

লেখক - পৰিচিতি

ৰথীন্দ্রনাথ গোস্বামী (১৯৬৭) :

বিজ্ঞান সাহিত্য, কল্প বিজ্ঞান, ভ্রমণ কাহিনী, শিশু-সাহিত্যকে আদি- কৰি বিবিধ প্রবন্ধেৰে অসমীয়া সাহিত্যলৈ অৱদান যোগোৱা ৰথীন্দ্রনাথ গোস্বামীৰ জন্ম হয় যোৰহাটত। পিতৃ সাহিত্যাচার্য যতীন্দ্রনাথ গোস্বামী। কটন কলেজৰ পৰা ১৯৮৭ চনত ভূতত্ত্ব বিষয়ত প্রথম শ্রেণীৰ প্রথম স্থানেৰে স্নাতক ডিগ্রী আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৯১ চনত প্রথম শ্রেণীৰ স্নাতকোত্তৰ ডিগ্রী লাভ কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

১৯৯২ চনত অসম প্ৰশাসনিক সেৱাৰ বিষয়া হিচাপে যোগদান কৰে যদিও পৰৱৰ্তী কালত এই পদৰ পৰা ইস্তফা দি তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ ভূতত্ত্ববিদ হিচাপে যোগদান কৰে।

গোস্বামীদেৱৰ উল্লেখযোগ্য গ্ৰন্থসমূহ হ'ল, শিশু সাহিত্যঃ 'বিদেশী বন্ধুৰ দেশত', 'কিংকিনীৰ বিদ্রোহ', চিচিং', 'বিজ্ঞানে আনিব জোৱাৰ', 'অংক জংক পংক', 'ৰথীন মামাৰ অংকৰ মজা', ভ্ৰমণ কাহিনী : 'মহাসমুদ্ৰৰ সিপাৰে', 'সমুদ্রিকা', 'মুম্বাই-সাগৰ সীমনাত ৰৈ', 'হৃদয় শিখৰৰ প্ৰতিধ্বনি', 'ঈশ্বৰৰ উপত্যকাত'; চুটিগল্প-সংকলন: 'সংগ্ৰাম'।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

'মহাসমুদ্ৰৰ সিপাৰে' গ্ৰন্থৰ বাবে গোস্বামীদেৱে হেম বৰুৱা সোঁৱৰণী বঁটা লাভ কৰে।



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো





Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

পাৰস্যত এভুমুকি

পাৰস্য উপসাগৰত অৱস্থিত আমাৰ ৰিগটোৰ পৰা আহি বন্দৰ নগৰী বুশ্হেৰত অৱতৰণ কৰোঁতে প্ৰায় দুই বাজিছিল। হেলিকপ্টাৰৰ দুৱাৰ খোলাৰ লগে লগে ভমককৈ এছাটি গৰম বতাহ সোমাই আহিল। বুজিবলৈ বাকী নাথাকিল যে বুশ্হেৰৰ তাপমাত্ৰা চল্লিছ ডিগ্ৰী ছেন্টিগ্ৰেডৰ ওপৰত আছে। এই প্ৰচণ্ড গৰমত 'ৰানৱে'ৰ ওচৰত ৰৈ থাকিব নোৱাৰি।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



নিজ নিজ বেগ চমজি লৈ আমি তিনিজন- মই, মেহদি আৰু ঘাছেম বিমান বন্দৰৰ মূল ভৱনটোৰফালে আগবাঢ়িলোঁ।

বুশ্বেৰৰ বিমান বন্দৰটো বেছি ব্যস্ত নহয়। অৱশ্যে ইয়াৰ এটা বিশেষ গুৰুত্ব আছে। ই ইৰাণৰ এটা সামৰিক ঘাটি। তাতে বুশ্বেৰত এটা নিউক্লীয় ৰিয়েক্টৰ আছে বুলিও শুনিছোঁ।

মেহদি আৰু ঘাছেম দুয়োজন ইৰাণী যুৱক, থাকে তৈলনগৰী আহৱাজত; বুশ্বেৰৰ পৰা প্ৰায় দুঘণ্টা দূৰৈত ইৰাক সীমান্তৰ ফালে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

তেওঁলোকৰ বাবে এই যাত্রা হঠাতে হোৱা। কটিন মতে তেওঁলোক দুদিন পাছতহে আহিলহেঁতেন। কিন্তু হঠাতে এটা বিশেষ আলোচনাৰ বাবে মই ট্রেহৰাণলৈ যাব লগা হোৱাত হেলিকপ্টাৰ মাতিব লগা হ'ল। তেওঁলোকৰ কাম প্রায় সম্পূর্ণ হৈছিল, সেয়ে তেওঁলোককো ওলাবলৈ কলোঁ। দুয়ো 'জিঅ'লগ নামৰ ইটালিয়ান কোম্পানিটোৰ 'মাডলগাৰ'। তেলৰ বাবে চলোৱা খনন কার্যত 'মাডলগিং' আহিলাসমূহৰ গুৰুত্বপূর্ণ ভূমিকা আছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

এইবোৰৰ জৰিয়তে সংগ্ৰহ কৰা তথ্যই এখন নতুন তৈলক্ষেত্ৰ আৱিষ্কাৰত আৰু কোনো বিপজ্জনক পৰিস্থিতি নোহোৱাকৈ খনন চলোৱাত সহায় কৰিব পাৰে। ভূতত্ত্ববিদৰ বাবে ই এবিধ গুৰুত্বপূৰ্ণ সঁজুলি। মাডলগিং ইউনিটটোৰ পৰা প্ৰেৰণ কৰা তথ্য দেখিয়েই আমি বহুতো সিদ্ধান্তত উপনীত হ'ব পাৰোঁ, খননত হ'ব পৰা সম্ভাব্য বিপদ সম্পৰ্কে ভৱিষ্যতবাণী কৰিব পাৰোঁ, আটাইতকৈ ডাঙৰ কথা সেই সৰু গৱেষণাগাৰটোত বহিয়েই পোন প্ৰথমে মই জানিবলৈ পাওঁ তেল পামনে নাপাম।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

বিমানবন্দৰৰ আগমন ভৱনলৈ সোমাই যাওঁতে জানিব পাৰিলোঁ যে মেহদিহঁতৰ বাবে গাড়ী আহি ৰৈ আছে। মই আশা কৰা মতে মোৰ সহকর্মী ভেংকি (ভেংকটৰমণী) ৰৈ আছিল। তেওঁ বৃশ্চেৰত থাকে। ইয়াৰপৰা তেওঁ ৰিগলৈ যাব লগা হেলিকপ্টাৰ আৰু সামগ্রী যোগানকাৰী জাহাজৰ তদাৰক কৰে। ভেংকিয়ে মোক জনালে যে অলপ সময় আমি বিমান বন্দৰতে ৰৈ আবুজাৰৰ অপেক্ষা কৰিম। আবুজাৰ আমাৰ ট্রেভেল এজেন্ট। তেওঁ গৈছে মোৰ টেহৰাণ যাত্রাৰ টিকট কিনিবলৈ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

বিমানৰ বাবে দহঘণ্টামান সময় আছে। বিমান বন্দৰটোত মই, আবুজাৰৰ সহযোগী হুছেইন আৰু নিৰাপত্তা ৰক্ষী কেইজনৰ বাদে কোনো মানুহ নাই। ভেংকিয়ে নিৰাপত্তাৰক্ষী কেইজনৰ সৈতে কথা-বতৰা আৰম্ভ কৰিলে। হুছেইনে ফার্চীৰ পৰা ইংৰাজীলৈ আৰু ইংৰাজীৰ পৰা ফার্চীলৈ অনুবাদ কৰি বার্তালাপত সহায় কৰিলে। মোৰ এই কমদিনৰ অভিজ্ঞতাৰ পৰা এটা কথা বুজিব পাৰিছোঁ যে ইৰাণীসকল যথেষ্ট নম্ৰ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

তেওঁলোকে সুন্দৰ সম্ভাষণেৰে বার্তালাপ কৰে, উচ্চস্বৰত কথা নকয় আৰু কথা বতৰাত বিনয়ী স্বভাৱৰ প্রতিফলন ঘটে। তেওঁলোকে যে এটা ঐতিহ্যময় সভ্যতাৰ শিখা কঢ়িয়াই আনিছে তাৰ পৰিচয় পোৱা যায় তেওঁলোকৰ আচাৰ-ব্যৱহাৰ, বার্তালাপ আদিত।

এঘণ্টামানৰ পাছত ফোঁপাই জোপাই আবুজাৰ ওলালহি। নিৰাপত্তাৰক্ষী কেইজনৰ পৰা বিদায় লৈ আমি দুয়ো আবুজাৰৰ পিক আপ ভেনখনত উঠিলোঁ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

তেনেতে ভেংকিয়ে ক'লে-"ৰথীন, এয়া আমাৰ "আগা আবুজাৰ"। ভেংকিয়ে দুই এটা ফার্চীশব্দ ক'বলৈ শিকিছে। 'আগা' শব্দটো শ্রীযুতৰ সমার্থক সন্মানীয় শব্দ।

গাড়ীৰ খিৰিকী বন্ধ কৰি আবুজাৰে এয়াৰ কণ্ডিশ্যনাৰ চলাই দিলে।

এখন অচিনাকি চহৰৰ মাজেদি যাত্রা কৰোঁতে মই অজান পুলক অনুভৱ কৰিলোঁ। তেল অন্বেষণ মোৰ বৃত্তি নোহোৱা হ'লে আন বহুতৰে দৰে বুশ্বেৰ চহৰ মোৰ বাবে অপৰিচিত হৈয়ে থাকিলহেঁতেন।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



বুশ্বেৰ চহৰৰ কোনোবা এঠাইত পাৰমাণৱিক গৱেষণা চলি আছে। আমাৰ ডাটা ইঞ্জিনিয়াৰ জাভাদেও মোক কৈছিল যে বুশ্বেৰত এটা ৰিয়েক্টৰ আছে। সেয়ে যেতিয়াই মই হেলিকপ্টাৰেৰে বুশ্বেৰলৈ অহা যোৱা কৰোঁ প্ৰতিবাৰতে গোলাকৃতিৰ স্থাপত্যটোৱে মোক কৌতুহলী কৰি তোলে। তাৰ মানে তাতেই চলি আছে পাৰমাণবিক গৱেষণা। এটা কথা ঠিক যে ইৰাণৰ পাৰমাণৱিক কার্যসূচীৰ মূল কেন্দ্ৰ হৈছে উত্তৰ দিশত অৱস্থিত নাটাঞ্জৰ ভূগর্ভত থকা প্ৰকল্প।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

বুশ্বেৰ সৰু চহৰ। কিন্তু ৰাস্তা, চহৰৰ পৰিকল্পনা দেখিলে কোনেও নক'ব ই এখন সৰু চহৰ। চাৰিটা লেনৰ ৰাস্তা, মাজত ডিভাইডাৰ। যথেষ্ট চাফা। নগৰ পৰিকল্পনাই যে বুশ্বেৰ চহৰখনত গুৰুত্ব লাভ কৰিছে সেয়া মই আকাশমার্গৰ পৰাই বুজিব পাৰিছিলোঁ। প্রতিটো ঘৰ দেৱালেৰে ঘেৰা। প্রৱেশদ্বাৰত এখন মজবুত লোহাৰ গেট। আৱাসিক অঞ্চলৰ ঘৰবোৰ দুই বা তিনিমহলীয়া। খুব বেছি ভিৰ নাই। ভেংকিয়ে ক'লে-"এয়া আমি চহৰৰ সম্ভ্রান্ত এলেকা নুৰ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

হুছেইন স্ট্রিটত প্ৰৱেশ কৰিছোঁ আৰু এই স্ট্রিটতে মি. ভেংকটৰমণী থাকে।" ভেংকিৰ কথা কোৱাৰ ষ্টাইল দেখি আবুজাবে হাঁহিলে। আমাক নমাই থৈ আবুজাৰ গ'লগৈ। যাওঁতে তেওঁ কৈ গ'ল "ৰাতি আপোনাক এয়াৰ পৰ্টত থৈ আহিম।"

"খে'লে মামনুন"- ভেংকিয়ে ক'লে।

ময়ো ক'লো-'মেৰচি'। ফাৰ্চী ভাষাত মামনুন, খে'লে মামনুন, মেৰচি আদি শব্দেৰে ধন্যবাদ জ্ঞাপন কৰা হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ভেংকিৰ ঘৰৰ সন্মুখত ৰৈ ভিতৰফালে চাবলৈ চেষ্টা কৰিলোঁ, একো দেখা নাপালোঁ। গেটখনত কোনোধৰণৰ বিন্ধা এটাও নাই। জেপৰপৰা চাবি উলিয়াই তেওঁ গেট খুলিলে। ওপৰ মহলাত থকা তেওঁৰ ঘৰৰ ভিতৰত সোমাই তেওঁ লৰালৰিকৈ এয়াৰ কণ্ডিশ্যনাৰ অন কৰি দিলে। এছিৰ ঠাণ্ডাবতাহ পাইহে ভাল লাগিল, আৰামী ছ'ফাত বহি গাটো এৰি দিলো।

ইতিমধ্যে ভেংকি ব্যস্ত হৈ পৰিল দুপৰীয়াৰ খাদ্য প্ৰস্তুত কৰাত।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

আবেলি আমি খোজ কাঢ়ি ওলাই গ'লো। চহৰখনৰ উপৰিও মোৰ অন্য এক আকর্ষণ হ'ল ইৰাণৰ মানুহবোৰ।

ইৰাণীসকলৰ চেহেৰা যথেষ্ট ধুনীয়া, সাজ পোছাক আধুনিক। চহৰ ভ্রমণ কৰোঁতে বহুতো ইৰাণী মহিলা দেখিবলৈ পালোঁ। মন কৰিলোঁ যে সকলোৱে বোৰ্খা নিপিন্ধে। আধাতকৈ বেছিয়ে বিশেষকৈ যুৱতীবোৰে টি ছার্ট, জিনছ, কে'ডছ আদি পিন্ধিছে, মাথোন একোখন স্কার্ফেৰে মূৰটো ঢাকি লৈছে। ভেংকিয়ে মোক ক'লে সেইখনৰ নাম হিজাব।

Under CSR Support by
ipca | Foundation


শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

চহৰখন সৰু যদিও গাড়ী যথেষ্ট, নহ'ব কিয়। চাৰি টকীয়া পেট্ৰ'ল পালে কোনেনো গাড়ী নচলাব! আমেৰিকাৰ দৰে ইয়াতো গাড়ীৰ চালকজন বাওঁফালে বহি গাড়ী চলায়, যিটো আমাৰ নিয়মৰ সম্পূৰ্ণ ওলোটা।

খোজ কাঢ়ি কাঢ়ি আমি চহৰখনৰ মূল স্থানৰ মাজেদি পাক মাৰিলোঁ। আজি শুক্ৰবাৰ, সেয়ে আমাৰ দেশৰ দেওবাৰৰ দৰে পৰিৱেশ। তাৰ মাজতো দুই এখন দৈনন্দিন প্ৰয়োজনীয় দোকান খোলা আছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো





ফলমূলৰ দোকানত দেখিলোঁ ৰঙা চেৰিৰপৰা আৰম্ভ কৰি তৰমূজলৈকে বিভিন্ন ফলমূল সজাই থোৱা আছে। এঠাইত দেখিলোঁ এজন মানুহে ডেৰফুটমান দীঘল এখন ৰুটী কঢ়িয়াই লৈ গৈছে। মই ৰুটীখনৰ আকৃতি দেখি আচৰিত হোৱা বুলি জানি ভেংকিয়ে মোক বুজাই দিলে যে এয়া মেছিনত তৈয়াৰী ৰুটী বা নুন (হিন্দীত নান)। আমাৰ দেশত যিদৰে ব্ৰেড বা পাউৰুটী বিক্ৰী হয় সেইদৰে ইয়াত এই নুন অতি জনপ্ৰিয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

এইবোৰ সাধাৰণতে ঘৰত তৈয়াৰ নকৰে, মানুহে দোকানৰ পৰা কিনি খায়। এইবোৰ শুকান আৰু লেকেটা। নিশ্চয় তেওঁলোকৰ খোৱাৰ বিশেষ নিয়ম আছে। মই মন কৰিছিলোঁ আমাৰ লগৰ ইৰাণী কর্মচাৰী কেইজনেও যথেষ্ট শুকানকৈ আহাৰ খায়।

বহুতো ঠাইত পদপথত সেউজীয়া ৰঙৰ বাকচ এবিধ দেখিলোঁ, ভেংকিয়ে ক'লে সেইবোৰ দানপাত্র। চৰকাৰী পৃষ্ঠপোষকতাত এইবোৰ স্থাপন কৰা হৈছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

বুশ্বেৰৰ খেজুৰ বিখ্যাত। মিঠা আৰু সতেজ। পকা খেজুৰৰপৰা যিদৰে ৰস ওলায়, নাজানিলে ধাৰণা হ'ব যেন কোনোবাই ৰস ঢালি আনিছে। সেইদিনা, মোৰ ইৰাণী বন্ধু আহমেদে আহৰাজৰপৰা মোৰ বাবে খেজুৰৰ পৰঠা (নুন কুৰমাই) লৈ আহিছিল। মাজত খেজুৰ সুমুৱাই তৈয়াৰ কৰা এবিধ বিশেষ ৰুটী। এনেকুৱা এখন কুৰমাই খালে ভাত খোৱাৰ দৰে হয়।

দোকানৰ ছাইনব'ৰ্ডবোৰ ফার্চী ভাষাত লিখা। বহুতো ঠাইত চকলেটৰ দোকান দেখিলোঁ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

অনুমান কৰিবলৈ টান নহ'ল যে ইয়াত চকলেট জনপ্রিয়। নানা তৰহৰ চকলেটেৰে দোকান ভর্তি হৈ আছে। এঠাইত দেখিলোঁ ছাইবাৰ কাফেত বহি বহুতো যুৱতীয়ে ইন্টাৰনেট ছার্ফিং কৰিছে।

ঘৰলৈ ঘূৰি আহি ভেংকি ব্যস্ত হৈ পৰিল নিশাৰ আহাৰ তৈয়াৰ কৰাত। তেওঁ সুন্দৰ ৰছম ৰান্ধিব পাৰে। কেতিয়াও সপোনতো নভবা এখন অচিন নগৰীত বহি আমি দুয়ো ভাৰতীয়ই দক্ষিণ ভাৰতীয় আহাৰ অতি তৃপ্তিৰে খালোঁ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

দহ বজাৰ লগে লগে আমি গেটৰ ওচৰলৈ ওলাই গ'লো। আবুজাৰে গাড়ী পঠাই দিছে মোক বিমান বন্দৰত নমাই থৈ আহিবৰ বাবে। খন্তেক পাছতে আবুজাৰ আহি ওলালহি; তেওঁ মটৰ ছাইকেলত আহিছে। তেৱোঁ বিমান বন্দৰলৈ যাব মোক বিদায় জনাবৰ বাবে। মই গাড়ীত আৰু আবুজাৰৰ সৈতে ভেংকি মটৰ চাইকেলত।

প্ৰায় এঘণ্টা পলমকৈ বিমানে যাত্ৰা আৰম্ভ কৰিলে। দুঘণ্টাৰ পাছতে মই টেহৰাণত অৱতৰণ কৰিম।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ইৰাণ বুলিলে মোৰ মনলৈ কিছুমান ছবি ভাঁহি আহে। সৰুকালত পাঠ্যপুথি বা আনবোৰ কিতাপত অতীজৰেপৰা পাৰস্যৰ সৈতে আমাৰ দেশৰ বাণিজ্যিক সম্পৰ্ক থকাৰ বিষয়ে পঢ়িবলৈ পাইছিলোঁ। সেইবোৰে মোৰ মানসপটত নাও বাই অহা কিছুমান সদাগৰৰ ছবিৰ সৃষ্টি কৰিছিল।

পাৰস্যৰ এটা কথাই মোক সদাই আকৰ্ষণ কৰিছিল। সেয়া হ'ল অসমীয়া ভাষাত ব্যৱহাৰ হোৱা ফাৰ্চী ভাষাৰ শব্দবোৰ। কেইবা শতিকা ধৰি কিছুমান ব্যক্তিয়ে সুদূৰ পাৰস্যৰ পাৰৰ পৰা

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

আনি ভাৰতৰ উত্তৰ পূবৰ দিশত এই শব্দবোৰ বিলাই দিছিল। আমি নজনাকৈয়ে এই শব্দবোৰে আমাৰ ভাষা চহকী কৰি আহিছে। এতিয়া কেঁচী, দোৱাত, চিয়াঁহী, চিঁচা-এইবোৰ শব্দ আমাৰ বাবে হাড়ে হিমজুৰে অসমীয়া শব্দ।

ইৰাণ মানৱ সভ্যতাৰ প্ৰাচীন ইতিহাসৰ ধ্বজাবাহক। প্ৰত্নতাত্ত্বিক, ঐতিহাসিক, সাংস্কৃতিক আৰু কীৰ্তিস্তম্ভৰ যোগেদি ইৰাণৰ প্ৰাচীন সভ্যতা আজিও সজীৱ হৈ আছে।

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো





১। লেখকে উল্লেখ কৰা মতে তেওঁলোকৰ ৰিগটো ক'ত অৱস্থিত?

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো





২। লেখকে বুশ্বেৰত কি আছে বুলি শুনিছে?

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো





৩। 'আগা' শব্দৰ অর্থ কি?